# আমাৰ এন আৰ চি
# ন্যায়সংগত এন আৰ চি

# দাবী আৰু আপত্তি বিষয়ক গুৰুত্বপূৰ্ণ ঘোষণা



## দাবী আৰু আপত্তি গ্ৰহণ কৰাৰ অন্তিম তাৰিখ ১৫ ডিচেম্বৰ, ২০১৮লৈ বৃদ্ধি কৰা হৈছে

১. যোগ্যতা পুনৰ বিবেচনাৰ বাবে ইতিমধ্যে দাখিল কৰা নথিৰ ভিত্তিত নাইবা **তালিকা A** বা **তালিকা B** ভুক্ত অতিৰিক্ত নথিৰ ভিত্তিত দাবী দাখিল কৰিব পাৰিব। আগেয়ে দাখিল কৰা নথিসমূহ দাখিল কৰাৰ প্ৰয়োজন নাই। লিগেচি নথিৰ তালিকা (**তালিকা A**) পূৰ্বৰ মূল আবেদন দাখিল কৰাৰ সময়ত থকাৰ দৰে একেই থাকিব। তালিকাখন তলত দিয়া হ'লঃ

- I. এন আৰ চি, ১৯৫১
- II. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰকাশিত ভোটাৰ তালিকা
- III. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা মাটিৰ নথি-পত্ৰ যেনে মাটি কিনা-বেচাৰ পঞ্জীয়নভুক্ত দলিল, ভূমিস্বত্বৰ নথি
- IV. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা নাগৰিকত্ব প্ৰমাণপত্ৰ
- V. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত অসমৰ বাহিৰৰ ৰাজ্যই প্ৰদান কৰা স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ
- VI. ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ
- VII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত ভাৰত চৰকাৰৰ দ্বাৰা প্ৰদান কৰা পাছপোৰ্ট
- VIII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ভাৰতীয় জীৱন বীমা নিগম (এল আই চি আই)ৰ বীমা পলিচি
- IX. ****২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত যিকোনো চৰকাৰী কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা কোনো অনুজ্ঞা পত্ৰ / প্ৰমাণপত্ৰ
- X. *****২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা চৰকাৰী / ৰাজহুৱা খণ্ডৰ চাকৰি / নিয়োগৰ প্ৰমাণপত্ৰ
- XI. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা বেঙ্ক / ডাকঘৰৰ একাউন্টৰ নথি
- XII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত কৰ্তৃত্বপ্ৰাপ্ত কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা জন্মৰ প্ৰমাণপত্ৰ
- XIII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত বোৰ্ড / বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদান কৰা শৈক্ষিক প্ৰমাণপত্ৰ
- XIV. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ন্যায়িক বা ৰাজহ আদালতৰ নথি / আদালতৰ প্ৰচিডিংজনিত নথি
- XV. *******২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ৰেছন কাৰ্ড

* *শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰই নিম্নলিখিত নথি কেইবিধ সামৰি ল'ব ঃ*
- *(i) **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা সাহায্যপ্ৰাপ্তিৰ যোগ্যতাসূচক প্ৰমাণপত্ৰ*
- *(ii) **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা শৰণাৰ্থী শিবিৰ আৱাসীৰ প্ৰমাণপত্ৰ*

** ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা চৰকাৰী ৰচিদ, জাননী, হুকুম বা ৰেকৰ্ড সামৰি ল'ব*

*** ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত চৰকাৰী চাকৰিত / ৰাজহুৱা খণ্ডত নিয়োগৰ তথ্য উল্লেখ থকা পেঞ্চন পৰিশোধ কৰাৰ হুকুম (PPO)ৰ নথি অন্তৰ্ভুক্ত*

**** *এইখন সহযোগী নথিহে আৰু কেৱলমাত্ৰ **তালিকা A** ভুক্ত ১৪ বিধ নথিৰ যিকোনো এবিধৰ লগত সংলগ্ন হ'লেহে গ্ৰহণযোগ্য হ'ব*

২. সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰাৰ বাবে **তালিকা B** ভুক্ত নথিৰ ক্ষেত্ৰত ৩১ আগষ্ট ২০১৫ পৰ্য্যন্ত প্ৰদান কৰা অফিচিয়েল ৰেকৰ্ডৰ অংশভূত আৰু আইনমতে গ্ৰহণযোগ্য যিকোনো নথি দাখিল কৰিব পাৰিব

৩. দাবী দাখিলৰ পৰ্য্যায়ত লিগেচি ব্যক্তি সলনি কৰিব নোৱাৰিব

৪. আবেদনকাৰীয়ে পূৰ্বতে ঘোষণা কৰা হাতে লিখা বংশবৃক্ষৰ বিৱৰণীৰ কোনোধৰণৰ সালসলনি কৰিব নোৱাৰিব

৫. **খচৰা এন আৰ চিত** কোনো নাম অন্তৰ্ভুক্তিৰ বিৰুদ্ধে যিকোনো ব্যক্তিয়ে আপত্তি দাখিল কৰিব পাৰিব। আপত্তি অগ্ৰাহ্য হ'লে কোনো ধৰণৰ শাস্তিৰ সন্মুখীন হ'ব নালাগে

৬. দাবী তলত উল্লেখিত ব্যক্তিয়েও দাখিল কৰিব পাৰিব ঃ
- ক) ভুলবশতঃ 'ডি' ভোটাৰ (DV) বা ঘোষিত বিদেশী (DF) বা বিদেশী ন্যায়াধিকৰণত গোচৰ বিচাৰাধীন (PFT) হিচাবে দাবী কৰা ব্যক্তি আৰু তেনে ব্যক্তিৰ বংশধৰসকল
- খ) ন্যায়িক কৰ্তৃপক্ষ / বিদেশী ন্যায়াধিকৰণে ভাৰতীয় হিচাবে ঘোষণা কৰাৰ হুকুম থকা কিন্তু খচৰা এন আৰ চিত নাম অন্তৰ্ভুক্ত নোহোৱা ব্যক্তি

৭. দাবী আৰু আপত্তিৰ ক্ষেত্ৰত ১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ ধাৰা ১৭ৰ বিধি প্ৰযোজ্য হ'ব

জনহিতাৰ্থে প্ৰচাৰিত

ৰাজ্যিক সমন্বয়ক, এন আৰ চি,
অসম চৰকাৰ

নাগৰিক পঞ্জীয়নৰ মহাপঞ্জীয়ক,
গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে
আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক
১৫১০৭ (অসমৰ বাবে)
১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট
www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/11-18